# চামগুৰিত এন আৰ চি প্ৰ-পত্ৰ গ্ৰহণক লৈ খেলিমেলি

## সময়মতে উপস্থিত নহয় বিষয়া-কৰ্মচাৰী

প্ৰতিদিন সেৱা, পুৰণিগুদাম, ২৩ জুলাই ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী, চমুকৈ এন আৰ চিত নিজৰ নামৰ লগতে পৰিয়ালৰ নামত অন্তৰ্ভুক্তিৰ বাবে প্ৰ-পত্ৰ জমা দিয়াৰ দিন ক্ৰমে চমু চাপি অহাৰ সময়তে নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত একাংশ সেৱা কেন্দ্ৰত প্ৰ-পত্ৰ গ্ৰহণ কৰাৰ ক্ষেত্ৰত ব্যাপক খেলিমেলিৰ সৃষ্টি হোৱাৰ অভিযোগ উঠিছে। জানিব পৰামতে সমষ্টিটোৰ অন্তৰ্গত উদমাৰি, লাওখোৱা, মাগুৰমাৰী, কাৰৈমাৰী, শালপাৰা, শিঙিমাৰী, খাটোৱাল, চামগুৰি বাজহ চক্ৰৰ চৌহদত থকা এন এছ কে সেৱা কেন্দ্ৰকে ধৰি বহুকেইটা সেৱা কেন্দ্ৰত বিগত কেইবাদিন ধৰি এন আৰ চিৰ প্ৰ-পত্ৰ গ্ৰহণৰ নামত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলে সময়মতে উপস্থিত নোহোৱাৰ অভিযোগ উঠিছে। ভুক্তভোগী ৰাইজৰ অভিযোগমতে কৰ্মচাৰীসকলৰ লগতে বিষয়াসকলে নিজৰ খেয়াল-খুচিমতে সেৱা কেন্দ্ৰসমূহত উপস্থিত হোৱাত এন আৰ চি প্ৰ-পত্ৰ জমা দিয়াৰ ক্ষেত্ৰত জলা-কলা খাবলগাত পৰিছে সৰ্বসাধাৰণ ৰাইজে। বিশেষকৈ চামগুৰি ৰাজহ চক্ৰৰ চৌহদত স্থাপন কৰা এন এছ কে সেৱা কেন্দ্ৰটোত বিষয়াগৰাকীৰ লগতে একাংশ কৰ্মচাৰী নিৰ্দিষ্ট সময়ত উপস্থিত নোহোৱাৰ অভিযোগ উঠিছে। ফলত জীয়াতু ভুগিবলগা হৈছে ৰাইজ। উক্ত সেৱা কেন্দ্ৰটোত এন আৰ চিত নিজৰ লগতে পৰিয়ালৰ নাম অন্তৰ্ভুক্তিৰ বাবে দুই-তিনি দিন ধৰি ধলপুৱাৰে পৰা শাৰী পাতি থাকিবলগীয়া অৱস্থা হৈছে। উল্লেখ্য যে এন এছ কে কেন্দ্ৰসমূহ তদাৰক কৰাৰ দায়িত্বত থকা চক্ৰ বিষয়াগৰাকীৰ কাৰ্যালয়টোৰ চৌহদত থকা উক্ত সেৱা কেন্দ্ৰটোৰ বিষয়াগৰাকীৰ লগতে একাংশ কৰ্মচাৰী নিৰ্দিষ্ট সময়ত উপস্থিত নথকাত চক্ৰ বিষয়াগৰাকীৰ লগতে জিলা বিভাগীয় বিষয়াগৰাকীয়ে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। আনহাতে উক্ত ভুক্তভোগী ৰাইজে উক্ত সেৱা কেন্দ্ৰসমূহত নিৰ্দিষ্ট সময়ত বিষয়া-কৰ্মচাৰীসকল উপস্থিত হোৱাৰ কাৰণে দাবী জনোৱাৰ লগতে প্ৰ-পত্ৰ গ্ৰহণ কৰাৰ ক্ষেত্ৰত ব্যাপক খেলিমেলি দূৰ কৰিবলৈ স্থানীয় ৰাইজে জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

# লিগেচী ডাটা নাই তেজপুৰত ২২ জনীয়া পৰিয়ালৰ হাহাকাৰ

প্ৰতিদিন সংবাদ, তেজপুৰ, ২৩ জুলাই ঃ ১৯৬৪ আৰু ১৯৭১ চনৰ ভোটাৰ তালিকাত নাম থকাৰ পিচতো লিগেচী ডাটাত পিতৃৰ নাম উলিয়াব নোৱাৰি হাহাকাৰ কৰিছে তেজপুৰৰ এটা ২২ জনীয়া পৰিয়ালে। এইক্ষেত্ৰত শিৱনাথ ঠাকুৰ নামৰ লোকজনে জনোৱামতে তেওঁৰ পিতৃ অজবলাল ঠাকুৰে ১৯৬৪ চনত তেজপুৰ পৌৰসভাৰ সাধাৰণ নিৰ্বাচনত তেতিয়াৰ ২ নং ৱাৰ্ডৰ পৰা ভোটাধিকাৰ সাব্যস্ত কৰিছিল। ১৯৬৪ চনৰ ভোটাৰ তালিকা অনুসৰি অজবলাল ঠাকুৰৰ নাম ক্ৰমিক নং ৫৬ আৰু মিঃ টেঃ বহীত ১০৬৬ত সেই সময়ৰ ২ নং ৱাৰ্ডৰ ভোটাৰ তালিকাত সন্নিবিষ্ট হৈ আছে। একেদৰে ৭৭ নং তেজপুৰ বিধানসভা সমষ্টিৰ নিৰ্বাচক নামাৱলী সংশোধনী তালিকা ১৯৭১ চনৰ ভোটাৰ তালিকা অনুসৰি তেজপুৰ টাউনৰ ৫ নং ৱাৰ্ডৰ ক্ৰমিক ৬০৩ আৰু ঘৰৰ নম্বৰ ১৪৪ৰ বিপৰীতে অজবলাল ঠাকুৰ পিতা নাথুনি ঠাকুৰ, ক্ৰমিক ৬০৪ত বৈদ্যনাথ ঠাকুৰ, ক্ৰমিক নং ৬০৫ত শিৱনাথ ঠাকুৰ পিতা অজবলাল ঠাকুৰৰ নাম উল্লেখ আছে। কিন্তু সকলো যাৱতীয় তথ্য থকাৰ পিচতো লিগেচী ডাটাত অজবলাল ঠাকুৰৰ নাম নথকাত এন আৰ চি প্ৰপত্ৰ পূৰণ কৰিব নোৱাৰি হাহাকাৰ কৰিছে ২২ জনীয়া পৰিয়ালটোৱে। এইক্ষেত্ৰত পৰিয়ালটোৱে এন আৰ চি কৰ্তৃপক্ষৰ ওচৰত হেজাৰবাৰ কাকুতি-মিনতি কৰিও কোনো সুফল নোপোৱাত উপায়ুক্তৰ পৰা সহায় বিচাৰিছে।

অসমীয়া প্ৰতিদিন 24/7